নং ঃ ৮৫০/২০২০

**বিশিষ্ট সমাজসেৱিকা, শিক্ষাবিদ মিনতি বৰঠাকুৰক বীৰাঙ্গনা সতী সাধনী বঁটা-২০২০ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**

# অসমৰ খিলঞ্জীয়া জনসাধাৰণ সৰ্বকালৰ বাবে সুৰক্ষিত হৈ থকাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি লখিমপুৰ জিলাৰ ঢকুৱাখনা ৰাজহুৱা খেলপথাৰত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু লখিমপুৰ জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এক অনুষ্ঠানত বিশিষ্ট সমাজসেৱিকা, শিক্ষাবিদ মিনতি বৰঠাকুৰক ২০২০ বৰ্ষৰ বীৰাঙ্গনা সতী সাধনী বঁটা প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে মহকুমা পুথিভঁৰাল, প্ৰেক্ষাগৃহ, ফুটবল খেলপথাৰ, ৰুৰ্বান ক্লাষ্টাৰকে ধৰি বিভিন্ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিভিন্ন জনগোষ্ঠীৰ বৰ্ণিল সমাহাৰেৰে অসমৰ সমাজ জীৱন শক্তিশালী। আমাৰ সমাজ জীৱনত বহু শক্তি আৰু সম্ভাৱনা আছে যদিও তাক উজ্জীৱিত কৰাৰ বাবে আমি যিদৰে কাম কৰিব লাগিছিল সেয়া সম্ভৱ হৈ নুঠাৰ বাবে আজি ৰাজ্যখনে পিছপৰি থাকিবলগীয়া হৈছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে ২০১৬ চনত ক্ষমতালৈ অহাৰ ক্ষেত্ৰত প্ৰতিটো জাতি-জনগোষ্ঠীয়ে আন্তৰিকতাৰে সমৰ্থন জনাইছিল। সেইবাবে ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ তিনি মাহৰ পিছতে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৭০ টা জনগোষ্ঠীৰ লগত তিনিদিনীয়াকৈ আলোচনাত মিলিত হৈছিল। ৰাজ্যৰ যিসমূহ জনগোষ্ঠীৰ লোক সংখ্যাত কম আৰু বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে সেইসকল জনগোষ্ঠীয়ে মৰ্যাদা, আত্মসন্মান বিচৰাৰ কথাটো উপলব্ধি কৰি সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ মাটি-ভেটি, কৃষ্টি-সংস্কৃতি, ঐতিহ্য, সভ্যতা, স্বাভিমান ৰক্ষাৰ জৰিয়তে তেওঁলোকৰ সমান্তৰাল বিকাশৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বীৰাঙ্গনা সতী সাধনীৰ নামত বঁটা প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী মহীয়সী নাৰীৰ বিষয়ে নতুন প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ গোলাঘাটত সতী সাধনী বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ বাবে আজি সকলোৰে একাকাৰ হৈ আন্তৰিকতাৰে উন্নয়নৰ যাত্ৰাত খোজ দিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাষা, জাতি, ধৰ্মৰ নামত এতিয়া কোনো সংকট নাই। সকলোৰে সমন্বয়ৰ জৰিয়তে আগুৱাই যাবলৈ অংগীকাৰবদ্ধ হৈছে। তেওঁ কয় যে বীৰ-বীৰাঙ্গনাসকলৰ আদৰ্শক সাৰোগত কৰি কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আমি আমাৰ বিকাশৰ গতি দ্ৰুত কৰিব লাগিব। ঐক্যবদ্ধ প্ৰচেষ্টাৰে আমাৰ শক্তি বৃদ্ধিৰ যাত্ৰাত অগ্ৰসৰ হ'বলৈ ৰাইজ সংকল্পবদ্ধ হ'ব লাগিব। তেওঁ কয় যে উঠি অহা প্ৰজন্মই শিক্ষাক প্ৰাধান্য দিব লাগিব। শিক্ষাৰ প্ৰতি ধাউতি বঢ়াই জ্ঞান

বৃদ্ধিৰ জৰিয়তে ব্যক্তিত্ব নিৰ্মাণ কৰিব লাগিব। শিক্ষাই বৌদ্ধিক দিশত পাৰদৰ্শী হোৱাৰ সমল যোগায়। সেইবাবে পিতৃ-মাতৃ, অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক নীতিশিক্ষা আৰু আধ্যাত্মিক জ্ঞানেৰে আগুৱাই লৈ গৈ মূল্যবোধৰ জৰিয়তে জীৱনত সফল হোৱাৰ বাবে প্ৰেৰণা যোগাব লাগিব। মূল্যবোধ গঢ়ি তুলিব পাৰিলেহে আদৰ্শ ব্যক্তি নিৰ্মাণ কৰা সম্ভৱ বুলিও তেওঁ কয়। চুতীয়া জনগোষ্ঠীৰ লোকসকলক নতুন প্ৰজন্মক শিক্ষাৰে আগুৱাই নিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীৰ নতুন প্ৰজন্ম শক্তিশালী হ'লে অসম শক্তিশালী হৈ উঠিব। চাওলুং চ্যুকাফাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মহামিলনেৰে ঐক্যবদ্ধ সমাজ নিৰ্মাণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সাৰ্বজনীন নীতি গ্ৰহণ কৰি সকলোৰে সমবিকাশ, সম মৰ্যাদাৰ বাবে কাম কৰি আহিছে। ইয়াৰ ফলত ঐক্যবদ্ধ হৈ থকাৰ এক শক্তিশালী পৰিৱেশ নিৰ্মাণ হৈছে। তেওঁ কয় যে শিক্ষা, সংস্কৃতি, আধ্যাত্মিকতা, কৃষি, বিজ্ঞান আৰু প্ৰযুক্তি, ব্যৱসায়-বাণিজ্যকে ধৰি সকলো ক্ষেত্ৰতে নৱ প্ৰজন্মক এনেভাৱে আগুৱাই নিব লাগিব যাতে এক শক্তিশালী সমাজ নিৰ্মাণ সম্ভৱ হয়। শিক্ষা, ক্ৰীড়া, সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মক আগ্ৰহী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে একবিংশ শতিকাৰ এই প্ৰতিযোগিতামূলক যুগত নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ বাবে দৃঢ়তাৰে কাম কৰিব লাগিব বুলি কয়। তেতিয়াহে বীৰাঙ্গনা সতী সাধনীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। তেওঁ লগতে কয় যে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে জীৱনৰ পৰিৱৰ্তন আনিব লাগিব। সততা, নিষ্ঠাৰে কাম কৰিব লাগিব, উন্নত মানৱ সম্পদ গঢ় দিয়াৰ লক্ষ্যৰে সকলোৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ খিলঞ্জীয়া লোকসকল সৰ্বকালৰ বাবে সুৰক্ষিত হৈ থাকে তাৰ বাবে সামাজিক নিৰাপত্তা প্ৰদানৰ লগতে অৰ্থনৈতিকভাৱে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে ১.১০ লাখ খিলঞ্জীয়াৰ হাতত ভূমিৰ পট্টা তুলি দিয়া হৈছে। অহা জানুৱাৰী মাহত আৰু ১ লাখ খিলঞ্জীয়া ভূমি পুত্ৰক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। ১৯৫২ চনৰ পৰা কোনো জৰীপ নোহোৱা বাবে খিলঞ্জীয়াসকল বঞ্চিত হৈ আছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে জৰীপ আৰম্ভ কৰিছে। ভূমিপট্টা প্ৰদানেৰে সাংবিধানিক অধিকাৰ প্ৰদান কৰিছে। অসমৰ স্বাভিমান ৰক্ষা কৰি উন্নয়নৰ যাত্ৰা পথৰে আগুৱাই যোৱাটোৱে চৰকাৰখনৰ লক্ষ্য বুলি উল্লেখ কৰি তেওঁ কয় যে যাতায়াত, যোগাযোগ, শিক্ষা প্ৰতিষ্ঠান গঢ় দিয়া, ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকক আগুৱাই লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে।

মুখ্যমন্ত্ৰীয়ে সোৱণশিৰিত লক্ষীনাৰায়ণ ক্ষেত্ৰৰ বাবে ৫০ বিঘা ভূমি আৰু ঢকুৱাখনা সতী সাধনী ভৱন প্ৰাঙ্গনত বীৰাঙ্গনা সতী সাধনীৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে ১০ লাখ টকাৰ অনুদান দিয়াৰ কথা ঘোষণা কৰে। বীৰ-বীৰাঙ্গনাসকলক নতুন প্ৰজন্মৰ মাজত সজীৱ কৰি ৰখাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয়। সতী সাধনী বঁটা প্ৰাপক মিনতি বৰঠাকুৰে ২৭ বছৰ কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দি যি মানসিক দৃঢ়তা আৰু সৰলতাৰ পৰিচয় দাঙি ধৰিছে তাক সকলোৰে উচ্চস্বৰে প্ৰশংসা কৰিব লাগিব। মনোবল, ধৈৰ্য, সৰলতা, নিষ্ঠা, একাগ্ৰতা, সাধনা থাকিলে জীৱনৰ যিকোনো দুৰ্যোগ অথবা প্ৰত্যাহ্বানক যোগ্য প্ৰত্যুত্তৰ দিয়া সম্ভৱ সেই কথা মিনতি বৰঠাকুৰে দেখুৱাই দিছে। এইগৰাকী আদৰ্শ নাৰীৰ কৰ্মৰাজিৰে আমি সকলোৰে জীৱনৰ কঠিন পৰিক্ৰমা অতিক্ৰম কৰাৰ বাবে মানসিক শক্তি আহৰণ কৰিব লাগিব বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি বীৰাঙ্গনা সতী সাধনী বঁটা প্ৰাপক মিনতি বৰঠাকুৰে কয় যে তেওঁ কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দি এতিয়া জনসেৱাৰ বাবে নিজৰ জীৱন উৎসৰ্গিত কৰিছে। তেওঁ কয় যে কৰ্কট ৰোগৰ বিৰুদ্ধে কিদৰে যুঁজিব লাগে সেই কথা তেওঁ ৰোগীসকলক বুজাই আহিছে। কৰ্ম অবিহনে নিজৰ পৰিচয় দাঙি ধৰিব পৰা নাযায় বুলি উল্লেখ কৰি ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত সকলোৱে সহযোগিতা আগবঢ়াব লাগিব বুলিও তেওঁ কয়। আজিৰ এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা আৰু জ্যোতি প্ৰসাদ শইকীয়াইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত বিধায়ক ডাঃ ৰণোজ পেগু, সাংস্কৃতিক সঞ্চালক যাদৱ শইকীয়া, লখিমপুৰ জিলাৰ উপায়ুক্ত ডাঃ জীৱন বি, সদৌ চুতীয়া জাতি সন্মিলনৰ সভাপতি অমিয় বৰা, সদৌ চুতীয়া মহিলা সন্মিলনৰ সভানেত্ৰী, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**সুঃদঃ**
**২৪/১২/২০২০**